# ডাঃ আনন্দ চন্দ্ৰ শৰ্ম্মা ক্ৰীড়া উদগনি বঁটা - ২০২৩

১৩ চেপ্তেম্বৰ, তেজপুৰ- বিগত বৰ্ষৰ দৰে আজি তেজপুৰ জিলা ক্ৰীড়া সন্থাই জিলাখনত ক্ৰীড়াৰ প্ৰসাৰৰ বাবে প্ৰদান কৰা "ডাঃ আনন্দ চন্দ্ৰ শৰ্ম্মা ক্ৰীড়া উদগনি বঁটা" আজি "ৰাজেন বৰঠাকুৰ সোঁৱৰণী তেজপুৰ চেলেঞ্জকাপ" ফুটবল প্ৰতিযোগিতা খনিৰ উদ্বোধনী অনুষ্ঠানত প্ৰদান কৰা হয়।

২০২৩ বৰ্ষৰ এই বঁটা লাভ কৰে হকী খেলুৱৈ পাৰ্কিল আহমেদ আৰু দৌৰবিদ অবিষেক মাহালীয়ে। হকী খেলুৱৈ পাৰ্কিল আহমেদে ২০১৯-২০ বৰ্ষত গোৱালিয়ৰত, ২০২২ বৰ্ষত তামিলনাডুত আৰু ২০২৩ বৰ্ষত উৰিষ্যাত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় জুনিয়ৰ হকী প্ৰতিযোগিতাত অসম দলৰ হৈ অংশ গ্ৰহণ কৰে। দৌৰবিদ অবিষেক মাহালীয়ে ২০২৩ বৰ্ষত বিহাৰৰ পাটনাত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পূৱ মণ্ডল এথলেটিকচ প্ৰতিযোগিতাত ৩০০০ মিটাৰ দৌৰত তামৰ পদক আৰু উক্ত বৰ্ষতে গুৱাহাটীত অনুষ্ঠিত হোৱা আন্তঃজিলা এথলেটিকচ প্ৰতিযোগিতাত ১৮ বছৰ অনুৰ্দ্ধৰ শাখাত ৩০০০ মিটাৰ আৰু ১৫০০ মিটাৰ দৌৰত সোণৰ পদক লাভ কৰে।

ক্ৰিকেটত অসম দলক ৰঞ্জী ট্ৰ'ফি আৰু ফুটবলত গুৱাহাটী বিশ্ববিদ্যালয়ক আন্তঃবিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰা সুদক্ষ খেলুৱৈ ডাঃ আনন্দ চন্দ্ৰ শৰ্ম্মাৰ স্মৃতিত "ডাঃ আনন্দ চন্দ্ৰ শৰ্ম্মা ক্ৰীড়া উদগনি বঁটা" নামৰ এই বিত্তীয় সাহায্য মূলক ক্ৰীড়া উদগনি বঁটা ২০২২ চনত আৰম্ভণি হয়। প্ৰত্যেক বছৰে দিব লগীয়া এই বঁটাৰ ধনৰাশি ডাঃ শৰ্ম্মাৰ পৰিয়ালৰ সদস্য সকলে স্থাপন কৰা এক ব্যক্তিগত ট্ৰাষ্টে আগবঢ়াব। এই বঁটাৰ বাবে তেজপুৰ জিলা ক্ৰীড়া সন্থাই প্ৰত্যেক বছৰে এক বা ততোধিক নবীন নূন্যতম ৰাজ্যিক পৰ্য্যায়ত পদক প্ৰাপ্ত "অলিম্পিক খেল"ৰ খেলুৱৈ যাৰ প্ৰকৃতাৰ্থত বিত্তীয় সাহায্যৰ প্ৰয়োজন আছে, তেনে খেলুৱৈ নিৰ্বাচন কৰিব।

প্ৰথম বছৰৰ এই বঁটা তেজপুৰ জিলাৰ 'A' ডিভিজন ফুটবল লীগৰ চূড়ান্ত খেলৰ উদ্বোধনী অনুষ্ঠানত স্থানীয় প'ল ফিল্ডত প্ৰদান কৰা হৈছিল। ২০২২ বৰ্ষৰ এই বঁটা লাভ কৰিছিল মুষ্টিযোদ্ধা শ্ৰীমান চিত্ৰ ৰাজ লিম্বু আৰু দৌৰবিদ শ্ৰীমতী ৰিমজিম শইকীয়াই। শ্ৰীমান লিম্বুয়ে এই বছৰ অনুষ্ঠিত হোৱা অসম যুৱ অলিম্পিকত ৪৮ কিঃগ্ৰাঃ শাখাত সোণৰ পদক লাভ কৰিছিল আৰু অসমক ৰাষ্ট্ৰীয় বক্সিং প্ৰতিযোগিতাত প্ৰতিনিধিত্ব কৰিছিল। ৰিমজিম শইকীয়াই এই বছৰ অনুষ্ঠিত হোৱা অসম যুৱ অলিম্পিকত ১০০ মিটাৰ আৰু ২০০ মিটাৰ দৌৰত সোণৰ পদক লাভ কৰিছিল। শ্ৰীমতী শইকীয়াই ২০২০চনত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় এথেলেটিকচ্ প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

আজি পাৰ্কিল আহমেদক মানপত্ৰ প্ৰদান কৰে দৰং কলেজৰ অৱসৰ প্ৰাপ্ত উপাধক্ষ্য মহেন্দ্ৰ কেঁওটে আৰু ২৫ হাজৰ টকাৰ ধনৰাশিৰ চেক প্ৰদান কৰে জিলা ক্ৰীড়া সন্থাৰ সভাপতি জিতেন বৰঠাকুৰ ডাঙৰীয়াই আৰু অবিষেক মাহালীক মানপত্ৰ প্ৰদান কৰে তেজপুৰ পৌৰসভাৰ প্ৰাক্তন সভানেত্ৰী পুস্পা ডেকাই আৰু ২৫ হাজৰ টকাৰ ধনৰাশিৰ চেক প্ৰদান কৰে ডাঃ আনন্দ চন্দ্ৰ শৰ্ম্মাৰ পত্নী দৰং কলেজৰ দৰ্শণ বিভাগৰ প্ৰাক্তন অধ্যাপিকা মিনু দেবীয়ে ।

## ডাঃ আনন্দ চন্দ্ৰ শৰ্ম্মা

| | | |
|---|---|---|
| জন্ম: | ১৫ আগষ্ট, ১৯৩০ চন, প'ল ফিল্ড বামুণ গাঁও। পিতা: কমলা কান্ত শৰ্ম্মা (মৌজাদাৰ) | |
| শিক্ষা: | প্ৰাইমাৰী: | কাৰ মেমৰিয়েল স্কুল, তেজপুৰ। |
| | হাইস্কুল: গৰ্মেণ্ট বয়জ স্কুল, তেজপুৰ। | |
| | কলেজ: | কটন কলেজ, গুৱাহাটী {I. Sc. (Intermediate Science)} |
| | | অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড় {MBBS (Eye Specialist)} |
| জীৱিকা: | চৰকাৰী চাকৰি কৰি Addl. CM&HO, শোণিতপুৰ হিচাপে ১৯৯০ চনত অৱসৰ গ্ৰহণ কৰে। | |
| পৰিয়াল: | পত্নী: মিনু দেবী, দৰং কলেজৰ দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰবক্তা আৰু ৩ জন পুত্ৰ সন্তান। | |
| মৃত্যু: | ৯০ বছৰ বয়সত ৯ মে, ২০২০ ভৈৰৱ নগৰ (টিলা), তেজপুৰৰ নিজ বাসস্থানত। | |

## **ক্ৰীড়া**

**ফুটবল আৰু ক্ৰিকেট দুয়োটা খেলতে First Class খেলে। ক্ৰিকেটৰ বাবে অসম চৰকাৰৰ পৰা ২০০৫-২০০৬ বৰ্ষৰ বাবে "ক্ৰীড়া উৎকৃষ্টতা বঁটা" (Sports Excellence Award) লাভ কৰে।**

**ক্ৰিকেট:**

- ১৯৪৯-৫০ চনত প্ৰথম বাৰলৈ অনুষ্ঠিত হোৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাত তেজপুৰক প্ৰতিনিধিত্ব কৰিছিল।
- কটন কলেজক ১৯৫০ চনত প্ৰতিনিধিত্ব কৰি Champion আৰু ১৯৫১ চনত প্ৰতিনিধিত্ব কৰি Runner-up হয়।
- কটন কলেজত পঢ়ি থাকোঁতে আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা "নুৰুদ্দিন আহমেদ ট্ৰফীত" গুৱাহাটী দলক প্ৰতিনিধিত্ব কৰি ১৯৫০-৫১ বৰ্ষৰ Champion হয়।
- অসম চিকিৎসা মহাবিদ্যালয় দলক প্ৰতিনিধিত্ব আৰু পৰৱৰ্তী সময়ত অধিনায়কত্ব কৰি আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতাত Champion হয়। ১৯৫৬ চনৰ "Cricket-Blue" খিতাপ লাভ কৰে।
- **ৰঞ্জী ট্ৰফীত ১৯৫৫-৫৬ আৰু ১৯৫৬-৫৭ চনত অসম দলক প্ৰতিনিধিত্ব কৰে।**
- **গুৱাহাটী মহাবিদ্যালয়ক ১৯৫৭ চনত আন্তঃবিশ্ববিদ্যালয় প্ৰতিযোগিতা "ৰোহিংটন বাৰিয়া ট্ৰফীত" প্ৰতিনিধিত্ব কৰে।**
- অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়ত পঢ়ি থকা আৰু পৰৱৰ্তী সময়ত তাত চাকৰি কৰি থকাৰ সময়ত ১৯৬৯ চনলৈকে ডিব্ৰুগড় জিলাৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাত বহুবাৰ প্ৰতিনিধিত্ব কৰে আৰু সেই দলৰ অধিনায়কত্বও কৰে।

**ফুটবল:**

- আন্তঃজিলা ফুটবল প্ৰতিযোগিতাত তেজপুৰ জিলা ফুটবল দলক ১৯৪৮ ৰ পৰা ১৯৫৩ চনলৈ প্ৰতিনিধিত্ব কৰে।
- **তৰুণ অসম সংঘৰ অতি শক্তিশালী ফুটবল দলক নব'ম শ্ৰেণীত পঢ়ি থাকোঁতেই প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰে। ১৯৫২ চনত কতিকতাৰ মহমেদান স্পৰ্টিং দলক পৰাভূত কৰি চূড়ান্ত বিজয়ী হোৱা তৰুণ অসম সংঘ দলৰ সদস্য আছিল।**
- তেজপুৰ টাউন ক্লাবৰ হৈ বৰদলৈ ট্ৰফী আৰু যোৰহাটক ATPA ছিল্ডত অংশ গ্ৰহণ কৰে।
- **গুৱাহাটী মহাবিদ্যালয়ক ১৯৫৪ আৰু ১৯৫৫ বৰ্ষত আন্তঃবিশ্ববিদ্যালয় ফুটবল প্ৰতিযোগিতাত প্ৰতিনিধিত্ব কৰে।**
- অসম চিকিৎসা মহাবিদ্যালয় ফুটবল দলক বহু বছৰ প্ৰতিনিধিত্ব কৰে আৰু Champion হয়।

বিঃ দ্ৰঃ - অসম চিকিৎসা মহাবিদ্যালয়ত পঢ়ি থাকোঁতে আন্তঃমহাবিদ্যালয় ফুটবল আৰু ক্ৰিকেট দুয়োটা প্ৰতিযোগিতাত প্ৰতিনিধিত্ব কৰি Champion হয়।

## Dr. Ananda Chandra Sarma Sports Promotion Award – 2023

Tezpur, Sept 13: Like the previous year, to boost sports in the district, the "Dr. Anand Chandra Sarma Sports Promotion Award" was presented at the inaugural function of the "Rajen Barthakur Memorial Tezpur Challenge Cup" football tournament today by Tezpur District Sports Association.

The 2023 awards were presented to hockey player Parkil Ahmed and runner Mr. Abisek Mahali. Hockey player Parkil Ahmed represented Assam in the National Junior Hockey Championships held in Gwalior in 2019-20, Tamil Nadu in 2022, and Orissa in 2023. Runner Mr. Abisek Mahali won the bronze medal in the 3000m race in the National East Zone Athletics Championship held in Patna, Bihar in 2023 and gold medals in 3000m and 1500m race in Under 18 categories in Inter-District Athletics Championship held in Guwahati in the same year.

To treasure the memory of Dr. Ananda Ch. Sarma, an accomplished sportsman, who in cricket represented Assam in the Ranji Trophy, and in football represented Gauhati University Football Team in the Inter-University Football Tournament, the family of Dr. A. C. Sarma with the cooperation of TDSA started this financial award last year. The name of the award is "Dr. Ananda Chandra Sarma Sports Promotion Award". The award will be given every year to the needy sportsperson in "Olympic Sports" who at least achieved at the state level. Tezpur District Sports Association will select one or more players for the award every year. Money will be provided every year by a private trust set up by the family members of Dr. A. C. Sarma.

The award for the year 2022 was presented in the opening ceremony of the final of Tezpur District 'A' Division Football at Polo Field, Tezpur 21st August 2022. Recipients were Boxer Mr. Citra Raj Limbu and Athlete Ms. Rimjim Saikia.

Mr. Limbu was the Gold Medalist in Boxing at Assam Youth Olympic 2022 in the 48 KG Category. He also represented Assam in the National Boxing Competition in the 48 KG Category. Ms. Saikia is a double Gold Medalist in 100 meters and 200 meters in Assam Youth Olympic 2022. Represented Assam in the National Athletics Competition 2020 and won the Bronze Medal.

The certificate to Parkil Ahmed was presented by Mr. Mahendra Keot Retd. Vice Principal of Darrang College and the cheque of rupees 25 thousand presented by TDSA President Mr. Jiten Borthakur. The certificate to Mr. Abisek Mahali was presented by former chairman of Tezpur Municipality Mrs. Puspa Deka and the cheque of rupees 25 thousand was presented by Mrs. Minoo Devee, Retd. Lacturer of Darrang College, wife of Dr. Anand Chandra Sarma.

## Dr. Asanda Chandra Sarma

| | | |
|---|---|---|
| Born: | 15th August 1930, at Polo Field Bamungaon, Tezpur. Father: Kamala Kanta Sharma (Mauzadar) | |
| Education: | Primary: | Kar Memorial School, Tezpur |
| | High: | Govt. Boys School, Tezpur |
| | College: | Cotton College, Guwahati {I. Sc. (Intermediate Science)} |
| | | Assam Medical College, Dibrugarh {MBBS (Eye Specialist)} |
| Profession: | Govt. Service. Retired as Addl. CM&HO, Sonitpur 1990. | |
| Family: | Wife: Minoo Devee, Retd. Lecturer of Philosophy at Darrang College and 3 sons. | |
| Died: | At the age of 90 at his residence at Bhairab Nagar (Tila), Tezpur | |

## SPORTS

**Played both Football and Cricket at First Class Level. Received the "Sports Excellence Award" from the Govt. of Assam for CRICKET in 2005-2006.**

**CRICKET**

1. Represented Tezpur District Cricket Team in the first "Inter District Cricket Tournament" in 1949-50.
2. Represented Cotton College in the "Inter College Cricket Tournament" and was Champion in 1950 and Runner-up in 1951.
3. Represented Guwahati District Cricket Team in the "Nuruddin Ahmed Trophy" final and won the trophy against Nagaon in 1950-51 while a student of Cotton College.
4. Represented as well as Captained Assam Medical College in the "Inter College Cricket Tournament" and was "Cricket-Blue" in the year 1956.
5. **Represented Assam in "Ranji Trophy Cricket" in 1955-56 and 1956-57.**
6. **Represented Gauhati University Cricket Team in the Inter-University Cricket Tournament "Rohinton Baria Trophy" in 1957 at Allahabad.**
7. Represented Dibrugarh District Cricket Team for several years for the "Inter District Cricket Tournament" up to 1969 and also captained the team while there as a student and serving in Assam Medical College.

**FOOTBALL**

1. Represented Tezpur District Football Team in the "Inter District Football Tournament" in the year 1948 at Nagaon, 1950 at Dhubri, and 1953 at Dibrugarh.
2. **Represented a very formidable Tarun Asom Sangha Football team while studying in Class IX. Was a member of the "Independence Day Trophy" winning team of the club in 1952 defeating Mohammedan Sporting Club of Kolkata.**
3. Represented Tezpur Town Club in the "Bordoloi Trophy" at Guwahati.
4. Represented Tezpur Town Club in "A. T. P. A. Shield" at Jorhat.
5. **Represented Gauhati University Football Team in the "Inter-University Football Tournament" at Saugar (Madhya Pradesh) in 1954 and Jaipur (Rajasthan) in 1955.**
6. Represented Assam Medical College Football Team in the "Inter College Football Tournament" several times and also captained the inter-college trophy-winning team.

NB: - While in Assam Medical College was a member of trophy-winning team for both Football and cricket.